# কৃতজ্ঞতা

গৱেষণা গ্ৰন্থখনি প্ৰস্তুত কৰিবলৈ লৈ প্ৰথমেই আমি কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ বৰ্তমানৰ মাননীয় উপাচাৰ্য মহোদয় ড° হিতেশ ডেকাদেৱৰ প্ৰতি, যিজনাৰ সবল নেতৃত্বত বিশ্ববিদ্যালয়খনিয়ে অনাগত দিনত খ্যাতি অৰ্জন কৰিব বুলি আমি দৃঢ় বিশ্বাস ৰাখিছোঁ। সেইজনা সন্মানীয় উপাচাৰ্য মহোদয় ড° ডেকাদেৱক আমাৰ সশ্ৰদ্ধ প্ৰণাম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

দ্বিতীয়তে, আমি কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ যোৱা ৯ জুন, ২০২০ তাৰিখে অৱসৰ গ্ৰহণ কৰা সন্মানীয় উপাচাৰ্য মহোদয় ড° কন্দৰ্প কুমাৰ ডেকাদেৱৰ প্ৰতি। যিগৰাকী সন্মানীয় মহোদয়ে উপাচাৰ্যৰ দৰে গধুৰ দায়িত্ব পালন কৰাৰ উপৰিও 'গৱেষণা পদ্ধতি'ৰ শ্ৰেণীসমূহত এজন শ্ৰেণী শিক্ষকৰ দৰে পৰম নিষ্ঠাৰে পাঠদান কৰিছিল আৰু অৱসৰৰ আগমুহূৰ্তলৈকে গৱেষণা সম্বন্ধীয় নানা দিহা-পৰামৰ্শৰে আমাক উপকৃত কৰিছিল। আমাৰ গৱেষণা কৰ্মৰ পথ নিৰ্দেশকস্বৰূপে সেই শ্ৰেণীসমূহ আৰু উপদেশবিলাক পাথেয় হৈ ৰ'ল। তেখেতৰ প্ৰতি আমাৰ পৰম শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

তৃতীয়তে, আমি শ্ৰদ্ধাৰে সুঁৱৰিছো সদ্যপ্ৰয়াত সন্মানীয় ড° প্ৰদীপ চন্দ্ৰ হাজৰিকাদেৱক, যিজনাৰ তত্ত্বাৱধানত আমাৰ প্ৰথম অৱস্থাত গৱেষণা কৰ্ম আগবাঢ়িছিল। তেখেতৰ সহায়-সহযোগ আৰু বহুমূলীয়া উপদেশৰ বাবে আমি তেখেতৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'লো।

চতুৰ্থতে, আমি কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ আমাৰ সন্মানীয়া গৱেষণা গুৰু ড° কৰবী ডেকা হাজৰিকা মহোদয়াৰ প্ৰতি । আমাৰ গৱেষণা কৰ্মই আজিৰ এই পৰ্যায়ত উপনীত হোৱাৰ মূল ব্যক্তিগৰাকী তথা মূল চালিকা শক্তি হ'ল সন্মানীয়া ড° কৰবী ডেকা হাজৰিকা মহোদয়া। যথাসময়ত বাইদেউৰ তত্ত্বাৱধান লাভ নকৰাহেঁতেন হয়তো আমাৰ এই গৱেষণা কৰ্ম আজি সম্পূৰ্ণ হৈ নুঠিলহেঁতেন। বাইদেউৰ বহুমূলীয়া দিহা-পৰামৰ্শ, উৎসাহ আৰু প্ৰেৰণাৰ উপৰিও বাইদেউৱে মূৰ পাতি লোৱা এই গুৰু দায়িত্বভাগিৰ বাবে আমি তেখেতৰ ওচৰত চিৰদিন ঋণী হৈ ৰ'লোঁ। এই আপাহতে তেখেতৰ প্ৰতি আমাৰ সশ্ৰদ্ধ প্ৰণাম আৰু হিয়াভৰা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

পঞ্চমতে, বিশ্ববিদ্যালয়ৰ সন্মানীয় শৈক্ষিক পঞ্জীয়ক বিচিত্ৰ বিকাশ মহোদয়, সন্মানীয় সহকাৰী

প্ৰশাসনিক পঞ্জীয়ক (১) ড° শেখৰকান্তি সৰকাৰ মহোদয়, সন্মানীয় সহকাৰী পঞ্জীয়ক (২) ড° নয়নমণি শইকীয়া মহোদয়, সন্মানীয় সহকাৰী পৰীক্ষা নিয়ন্ত্ৰক মানস কপিল পাঠক মহোদয়, সন্মানীয় গাণনিক বিষয়া হিমাংশু শইকীয়া মহোদয়, সন্মানীয় সহকাৰী গ্ৰন্থাগাৰিক শ্ৰীযুত শেখৰজ্যোতি নেওগ মহোদয়— বিশ্ববিদ্যালয়ৰ এইসকল সন্মানীয় ব্যক্তিৰ প্ৰতি আমাৰ সশ্ৰদ্ধ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। গৱেষণা কৰ্মৰ লগত জড়িত বিভিন্ন ক্ষেত্ৰত আমাক সময়ে সময়ে প্ৰদান কৰা বিভিন্ন দিহা-পৰামৰ্শ আৰু সহায়-সহযোগৰ বাবে আমি তেখেতসকলৰ ওচৰত কৃতজ্ঞ হৈ ৰ'লোঁ।

ষষ্ঠতে, অৱসৰপ্ৰাপ্ত পঞ্জীয়ক ড° ৰাতুল চন্দ্ৰ বৰাদেৱলৈ আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। বৰাদেৱৰ বহুমূলীয়া দিহা-পৰামৰ্শ আৰু উৎসাহপূৰ্ণ উপদেশে আমাৰ গৱেষণা কৰ্ম আগবাঢ়ি যোৱাত প্ৰতুলভাৱে সহায় কৰি আহিছে। শঙ্কৰদেৱ অধ্যয়ন বিভাগৰ অধ্যাপক ড° দয়ানন্দ পাঠকদেৱৰ ওচৰত আমি কৃতজ্ঞ হৈ ৰ'লোঁ। ড° পাঠকদেৱৰ গৱেষণা পদ্ধতি উপভোগ্য শ্ৰেণীসমূহ আৰু অন্যান্য পৰামৰ্শৰ বাবে আমি পৰম সৌভাগ্যবান। সেয়ে তেখেতৰ প্ৰতি আমাৰ কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ। কৰ্মসূত্ৰে বদলি হৈ যোৱা পূৰ্বৰ সন্মানীয় ভাৰপ্ৰাপ্ত পঞ্জীয়ক ড° দীনমণি ঠাকুৰীয়াদেৱৰ ওচৰতো আমি কৃতজ্ঞ।

সপ্তমতে, আমি কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান শ্ৰীযুতা শ্যামলী দলৈ মহোদয়াৰ প্ৰতি। তেখেতৰ সদ্ ইচ্ছা আৰু দিহা-পৰামৰ্শই আমাৰ এই কৰ্মত প্ৰেৰণা হৈ ৰ'ল। বিভাগীয় অধ্যাপক সন্মানীয় ড° চন্দ্ৰকমল চেতিয়া মহোদয়ৰ প্ৰতি আমাৰ কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ। তেখেতৰ ঐকান্তিক প্ৰেৰণা আৰু কৰ্তব্যনিষ্ঠা আমাৰ পাথেয়। বিভাগীয় অধ্যাপক সন্মানীয় ড° ৰূপম বৰঠাকুৰ আৰু সন্মানীয়া অধ্যাপিকা ড° চাহিন জাফ্ৰি মহোদয়াৰ ওচৰতো আমি কৃতজ্ঞ হৈ ৰ'লোঁ। বিভাগীয় গৱেষক আৰু বিশ্ববিদ্যালয়ৰ জনসম্পৰ্কৰক্ষী বিষয়া শ্ৰীমান গৌৰীপ্ৰসাদ শৰ্মাৰ প্ৰতিও আমি আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

অষ্টমতে, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ সন্মানীয় শিক্ষকবৃন্দ আৰু কৰ্মচাৰীবৃন্দৰ প্ৰতিও আমি আমাৰ কৃতজ্ঞতা নিবেদিছোঁ। বিভিন্ন ক্ষেত্ৰত তেখেতসকলে আগবঢ়োৱা সহায়-সহযোগৰ বাবে আমি কৃতাৰ্থ হৈ ৰ'লোঁ।

নৱমতে, আমাৰ গৱেষণা কৰ্মত অধ্যয়নৰ জৰিয়তে সমল আহৰণ কৰিবলৈ সুবিধা লাভ কৰিছিলো — ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা কেন্দ্ৰীয় গ্ৰন্থাগাৰ, কৃষ্ণকান্ত সন্দিকৈ পুথিভঁৰাল, গুৱাহাটী বিশ্ববিদ্যালয়, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয় কেন্দ্ৰীয় গ্ৰন্থাগাৰ, নগাঁও, শুধগংগা (ডিব্ৰুগড় বিশ্ববিদ্যালয় গ্ৰন্থাগাৰ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰ, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়, নগাঁও), কেন্দ্ৰীয় গ্ৰন্থাগাৰ, চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়, টীয়ক, শৰৎ চন্দ্ৰ গোস্বামী কেন্দ্ৰীয় গ্ৰন্থাগাৰ, অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট, জিলা পুথিভঁৰাল, যোৰহাট, কাকজান মহাবিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰ, শিৱসাগৰ মহাবিদ্যালয়, জয়সাগৰৰ গ্ৰন্থাগাৰৰ ওচৰত ঋণী হৈ ৰ'লোঁ। প্ৰত্যেকটি পুথিভঁৰালৰপৰা লাভ কৰা সমলে আমাৰ গৱেষণা কৰ্ম ৰূপায়ণত প্ৰভূত অৰিহণা আগবঢ়ালে। পুথিভঁৰালকেইটিৰ সুস্বাস্থ্য কামনা কৰিলোঁ আৰু পুথিভঁৰালকেইটিৰ লগত জড়িত সকলো ব্যক্তিলৈকে আমাৰ স্নেহ, শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ইয়াৰ উপৰি অসম প্ৰকাশন পৰিষদ, গুৱাহাটীৰ ওচৰত আমি পৰম কৃতজ্ঞ আৰু চিৰঋণী হৈ ৰ'লোঁ। প্ৰকাশন পৰিষদৰ উদ্যোগত প্ৰকাশিত আমাৰ গৱেষণা কৰ্মৰ মুখ্য উৎস 'বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী'খনি প্ৰদান কৰি আমাক কৃতাৰ্থ কৰা সদাশয় ব্যক্তিসকললৈ আমাৰ পৰম কৃতজ্ঞতা  এই আপাহতে প্ৰদান কৰিছোঁ।

দশমতে, আমি আমাৰ মৰম, আন্তৰিকতা, স্নেহ-শ্ৰদ্ধা আৰু কৃতজ্ঞতা প্ৰকাশ কৰিছো গৱেষণা কৰ্মত উৎসাহ-প্ৰেৰণা আৰু সহায়-সহযোগ আগবঢ়োৱা শ্ৰীমান প্ৰবাল শইকীয়া আৰু ড° ক্ষীৰোদ শইকীয়াৰ প্ৰতি। লগতে মোৰ পৰম সুহৃদ পৰিয়ালবৰ্গ আৰু শুভাকাংক্ষীসকলৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ। তেখেতসকলৰ ঐকান্তিক সদ্ ইচ্ছা আৰু যথা সময়ত লাভ কৰা বিভিন্ন সহায়-সহযোগিতা এই গৱেষণা কৰ্মৰ সহায়ক হৈ ৰ'ল।

সদৌ শেষত আমাৰ গৱেষণা গ্ৰন্থখনিৰ মুদ্ৰণ কাৰ্যত আমাক নিষ্ঠাৰে সহায় কৰা পলাক্ষী, ৰোহিত আৰু মাল্টিক'ৰ স্বত্বাধিকাৰী গুণীন খাৰঘৰীয়া আৰু লাটুলৈ আমাৰ সস্নেহ কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ।

(চিত্ৰা দুৱৰা)

Scanned with CamScanner